**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। লোকসভাৰ কাৰ্যক্ৰমণিকা আজি নীটত অনিয়ম হোৱাৰ অভিযোগত বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ বাবে দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

৩। জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই আজি পুৱা জম্মুৰ ভগৱতী নগৰ বেচ কেম্পৰ পৰা পতাকা জোকাৰি অমৰনাথ যাত্ৰাৰ তীৰ্থযাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰাৰ শুভাৰম্ভ কৰে।

৪। কৰ্ণাটকৰ হাৱেৰি জিলাত হোৱা পথ দুৰ্ঘটনাত ১৩ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। আৰু

৪। ভাৰত কাইলৈ বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

লোকসভাৰ কাৰ্যক্ৰমণিকা আজি চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ অনিয়মৰ অভিযোগত বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ বাবে দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাৰ কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সাংসদসকলে বিষয়টো লৈ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত শ্লʼগান দিবলৈ ধৰে। কংগ্ৰেছ, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই কয় যে বিষয়টো চালি জাৰি চোৱাৰ বাবে এখন কমিটি গঠন কৰা হৈছে। সদনৰ কাম-কাজ পূৰ্ব পৰিকল্পিতভাৱে চলিব লৈ নিদিয়াটো সংসদীয় গণতন্ত্ৰৰ বাবে সঠিক নহয় বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে সদস্যসকলে ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়ত বিষয়টো উত্থাপন কৰিব পাৰে।

নীটৰ বিষয়লৈ আলোচনাৰ বাবে বিৰোধী পক্ষই উত্থাপন কৰা দাবী প্ৰত্যাখ্যান কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে ৰাষ্ট্ৰপতিৰ অভিভাষণৰ আলোচনাৰ বাবে নিৰ্ধাৰিত সময়ত অন্য বিষয়লৈ আলোচনা কৰাৰ

পৰম্পৰা নাই। তেওঁ লগতে কংগ্ৰেছ আৰু অন্য বিৰোধী দলসমূহে সংসদৰ গৰিমাৰ অৱমাননা কৰা বুলি অভিযোগ তোলে। শ্ৰী ৰিজিজুৱে কয় যে ৰাষ্ট্ৰপতি অভিভাষণৰ আলোচনাৰ সময়ত উত্থাপন কৰা যিকোনো বিষয়ৰ উত্তৰ দিবলৈ সাজু আছে। তাৰ পাছতো হুলস্থুলীয়া পৰিস্থিতি অব্যাহত থকাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই বিষয়টো লৈ বিৰোধী দলসমূহে উত্থাপন কৰা সভাস্থগিতকৰণৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে। কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টীকে ধৰি বিৰোধী দলসমূহে নীট পৰীক্ষাৰ অনিয়মৰ বিষয়টো উত্থাপন কৰে আৰু বিষয়টো লৈ আলোচনা কৰাৰ বাবে দাবী উত্থাপন কৰে।

অধ্যক্ষ ওম বিৰলাই কয় যে ৰাষ্ট্ৰপতিৰ অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়ত অন্য বিষয় লৈ আলোচনাৰ অনুমতি প্ৰদান কৰিব পৰা নাযায়। তেওঁ কয় যে ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ আলোচনাৰ সময়তে বিৰোধী দলসমূহে নিজৰ বিষয়সমূহ উত্থাপন কৰিব পাৰিব। তেওঁ লগতে কয় যে চৰকাৰে আলোচনাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে উত্থাপন কৰ সকলো বিষয়ৰ উত্তৰ দিব বুলি আশা কৰা হয়। ইয়াৰ পাছতে নিম্ন সদনত বিৰোধী পক্ষ ৰ নেতা ৰাহুল গান্ধীয়ে কয় যে তেওঁলোকে শিক্ষাৰ্থীসকলক এনে এটা বাৰ্তা দিব খোজে বিষয়টো সঁচাকৈ গুৰুত্বপূৰ্ণ। গতিকে বিষয়টো লৈ আলোচনা হ'ব লাগে। পাছত অধ্যক্ষই সদনৰ কাম-কাজ অব্যাহত ৰাখে যদিও কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। এনে অচলাৱস্থাৰ মাজতে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়।

ৰাজ্যসভাতো আজি নীটক লৈ হুলস্থুলীয়া পৰিস্থিতৰ সৃষ্টি হয়। পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিৰোধী সাংসদসকলে উত্থাপন কৰা সভাস্থগিতকৰণৰ জাননী অগ্ৰাহ্য কৰি কয় যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি দিয়া ভাষণত প্ৰশ্ন ফাদিল কাণ্ডৰ নিৰপেক্ষ তদন্ত আৰু দোষী সকলক কঠোৰ শাস্তি প্ৰদানৰ কথা উল্লেখ কৰিছে। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ সময়ত সদস্যসকলে বিষয়টো লৈ আলোচনাৰ কৰাৰ প্ৰৰ্যাপ্ত সময় পাব বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। ইয়াৰ পাছতে কংগ্ৰেছৰ প্ৰমোদ টিৱাৰীয়ে কয় যে ২৫ লাখ শিক্ষাৰ্থীয়ে বিষয়টো প্ৰতিবাদ সাব্যস্ত কৰিছে। উচ্চ সদনত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে কয় যে যোলা ৭ বছৰত ৭০ বাৰ প্ৰশ্নকাকত ফাদিল হৈছে। তেওঁ বিষয়টো লৈ আলোচনাৰ বাবে দাবী উত্থাপন কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী, আৰ জে দি আৰু অন্যান্য দলৰ সদস্যসকলে সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও প্ৰতিবাদী সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। হুলস্থুল শাম নকটাত সভাপতিয়ে সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু

তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটিৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন আজি সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০০০

জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই আজি পুৱা জম্মুৰ ভগৱতী নগৰ বেচ কেম্পৰ পৰা পতাকা জোকাৰি অমৰনাথ যাত্ৰাৰ তীৰ্থযাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। কাশ্মীৰ উপত্যকাত থকা অমৰনাথ গুহা দৰ্শনৰ বাৰ্ষিক অমৰনাথ যাত্ৰা কাইলৈৰ পৰা পেহেলগাম আৰু বালতল পথেৰে আৰম্ভ হ'ব। সংবাদ মাধ্যমৰ আগত উপ ৰাজ্যপাল শ্ৰীসিনহাই কয় যে বিগত তিনি চাৰি বৰ্ষত অমৰনাথ যাত্ৰাৰ যাত্ৰীসকলৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে চলিত বৰ্ষটো জম্মু-কাশ্মীৰ প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি গঢ়ি তোলাৰ লগতে যাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আন প্ৰয়োজনীয় ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। যাত্ৰীৰ নিৰাপত্তা আৰু যান বাহনৰ গতি বিধি নিৰীক্ষণ কৰাৰ বাবে ৰাষ্ট্ৰীয় ঘাই পথত ঠায়ে ঠায়ে চি চি টি ভি কেমেৰা সংস্থাপন কৰা হৈছে।

০০০০০০০

ঝাৰখণ্ড উচ্চ ন্যায়ালয়ে আজি ৮ দশমিক ৩-৬ একৰ ভূমিৰ দখল সম্পৰ্কীয় ক'লা ধন বৈঠকৰণৰ এটা গোচৰত ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনক জামিন প্ৰদান কৰে। প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকী সম্প্ৰতি ভূমি কেলেংকাৰীৰ জৰিয়তে ক'লা ধন বৈঠকৰণৰ অভিযোগত ৰাঁচীৰ বিৰছা মুণ্ডা কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ আছে। বিধি বলবৎকাৰী সঞ্চালকালয়ে ৩১ জানুৱাৰীত গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ 97166-80969 আৰু 96196-86659 নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন আজি সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০০০০০০

জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই আজি পুৱা জম্মুৰ ভগৱতী নগৰ বেচ কেম্পৰ পৰা পতাকা জোকাৰি অমৰনাথ যাত্ৰাৰ তীৰ্থযাত্ৰীৰ প্ৰথমটো দলৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। কাশ্মীৰ উপত্যকাত থকা অমৰনাথ গুহা দৰ্শনৰ বাৰ্ষিক অমৰনাথ যাত্ৰা কাইলৈৰ পৰা পেহেলগাম আৰু বালতল পথেৰে আৰম্ভ হ'ব। সংবাদ মাধ্যমৰ আগত উপ ৰাজ্যপাল শ্ৰীসিনহাই কয় যে বিগত তিনি চাৰি বৰ্ষত অমৰনাথ যাত্ৰাৰ যাত্ৰীসকলৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে চলিত বৰ্ষটো জম্মু-কাশ্মীৰ প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি গঢ়ি তোলাৰ লগতে যাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি আন প্ৰয়োজনীয় ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। যাত্ৰীৰ নিৰাপত্তা আৰু যান বাহনৰ গতি বিধি নিৰীক্ষণ কৰাৰ বাবে ৰাষ্ট্ৰীয় ঘাই পথত ঠায়ে ঠায়ে চি চি টি ভি কেমেৰা সংস্থাপন কৰা হৈছে।

ooooooooo

কৰ্ণাটকৰ হাৱেৰি জিলাৰ গুন্দনাহাল্লীত এখন যাত্ৰীবাহী ট্ৰেভেলৰে ৰাস্তাৰ কাষত ৰখাই থোৱা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত ১৩গৰাকী যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে আন চাৰিগৰাকী আহত হয়। নিহতসকলৰ ভিতৰত দুটি শিশুকে ধৰি ৮ গৰাকী মহিলা আছে। পোণে-বেংগালুৰু ৰাষ্ট্ৰীয় ঘাই পথত আজি নিচেই পুৱা এই দুৰ্ঘটনা সংঘটিত হয়। নিহত লোকসকলক শিৱামগা জিলাৰ বুলি জানিব পৰা গৈছে। যাত্ৰীসকলে এটা মন্দিৰ দৰ্শন কৰি ঘূৰি অহাৰ সময়ত এই দুৰ্ঘটনা সংঘটিত হয়। আহত ৪গৰাকী লোকক হাৱেৰি জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

oooooo

ভাৰত কাইলৈ বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অৰম্ভ হ'ব।

ভাৰতে যোৱা নিশা গায়ানাত অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰে। বৰ্ষাবিঘ্নিত খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৭১ ৰান কৰে। ভাৰতৰ হৈ অধিনায়ক ৰোহিত শৰ্মাই ৩৯ টা বলত সৰ্বাধিক ৫৭ ৰান কৰাৰ বিপৰীতে সূৰ্যকুমাৰ যাদৱে ৩৬টা বলত ৪৭ আৰু হাৰ্ডিক পাণ্ডিয়াই ১৩ বলত ২৩ ৰানৰ বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ ক্ৰিছ জৰ্ডানে ৩টা উইকেট দখল কৰে। ৰীচ টোপলে, জোফ্ৰা আৰ্চাৰ, ছেম কুৰেন আৰু আদিল ৰাচিদে এটাকৈ উইকেট অৰ্জন কৰে।

প্ৰত্যুত্তৰত ইংলেণ্ডে ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ হেৰি ব্ৰুকে ১৯ টা বলত ২৫ ৰান কৰে। ভাৰতৰ কুলদ্বীপ যাদৱ আৰু অক্ষৰ পেটেলে ৩টাকৈ উইকেট দখল কৰে। যশপ্ৰীত বুমৰাহে দুটা উইকেট লাভ কৰে। অক্ষৰ পেটেলক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooo

**সমাপ্ত**